# অসম আদিত্য

...০৬ ■ ৮ ব'হাগ, ১৯৪৮ শক ■ বুধবাৰ, ২২ এপ্ৰিল, ২০২৬ ■ Asom Aditya, Dibrugarh, Wednesday, April 22, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰ...


## এই কাৰ্যসূচীয়ে উত্তৰ পূৰ্বাঞ্চলৰ শিক্ষাখণ্ডৰ সমস্যা সমাধানৰ বাট মুকলি কৰিব ঃ মেয়ৰ ডাঃ পাত্ৰ

# ১৫ বিশ্ববিদ্যালয়ৰে কানৈ কলেজৰ শৈক্ষিক সন্মিলন

**ষ্টাফ ৰিপৰ্টাৰ, ২১ এপ্ৰিল ঃ** 'এনে শৈক্ষিক সন্মিলনে কানৈ মহাবিদ্যালয়ক ৰাষ্ট্ৰীয় পৰিচয় প্ৰদান কৰিব। ৰাষ্ট্ৰীয় নতুন শিক্ষানীতিৰ বাবে এনে সন্মিলনৰ প্ৰয়োজন অধিক। শিক্ষা প্ৰতিষ্ঠানসমূহৰ মাজত এক স্পষ্ট ধাৰণা আৰু সম্পৰ্ক গঢ়ি তুলিব।' ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্ত শাসিত)ৰ উদ্যোগত আৰু স্পীয়েৰৰ সহযোগত ২০ এপ্ৰিলৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত উত্তৰ-পূব শৈক্ষিক সন্মিলন উদ্বোধন কৰি ডিব্ৰুগড় পৌৰনিগমৰ মেয়ৰ, বিশিষ্ট সমাজকৰ্মী, চিকিৎসক ডাঃ সৈকত পাত্ৰই এইদৰে কয়। ভাৰতবৰ্ষৰ বিভিন্ন বিশ্ববিদ্যালয়সমূহে ভাগ লোৱা পৰিৱেশ দেখি তেওঁ কয়, এনে শৈক্ষিক সন্মিলনে উত্তৰ-পূৰ্বাঞ্চলৰ শৈক্ষিক সমস্যাসমূহ আলোচনা কৰাৰ বাট মুকলি কৰিব। তেওঁ কয়, ছাত্ৰ-ছাত্ৰীসকলক কেৱল পাঠ্যপুথিৰ বিদ্যাৰ মাজত আৱদ্ধ নাৰাখি কৰ্মমুখী, দক্ষতা ভিত্তিক শিক্ষাৰ সুবিধা প্ৰদান কৰিবলৈ এনে শৈক্ষিক সন্মিলনৰ প্ৰয়োজনীয়তাৰ কথা দোহাৰি কয়, এনে সন্মিলনে প্ৰতিখন ৰাজ্যৰ পৰা অহা আন্তঃৰাজ্যিক সম্পৰ্ক আৰু সমন্বয়, পাস্পৰিক আদান-প্ৰদান আৰু সহযোগিতা বৃদ্ধিৰ এক নতুন বাট মুকলি কৰিব। তেওঁ কয়, কানৈ মহাবিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত এনেধৰণৰ শৈক্ষিক কাৰ্যসূচীয়ে মহাবিদ্যালয়খনৰ শিক্ষক-ছাত্ৰ-ছাত্ৰীৰ লগতে অন্যান্য শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলকো উপকৃত কৰিব বুলি উল্লেখ কৰি এনে এটি সুন্দৰ অনুষ্ঠান আয়োজন কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষকে প্ৰমুখ্য কৰি মহাবিদ্যালয় পৰিয়ালক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানটিত আদৰণি ভাষণ প্ৰদান কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই কয়, উচ্চ শিক্ষাৰ আধুনিকীকৰণ, বহুমুখী শিক্ষা, বিজ্ঞান-প্ৰযুক্তি, কলাৰ অগ্ৰগতি সম্পৰ্কত এনে সন্মিলনে নতুন বাট মুকলি কৰিব। তেওঁ কয় যে নতুন নতুন পাঠ্যক্ৰম, নতুন বিশ্ববিদ্যালয়, জনপ্ৰিয় বিশ্ববিদ্যালয়সমূহৰ বিষয়ে জনাত এনে সন্মিলনে শিক্ষাৰ্থীসকলক সুবিধা কৰে। তেওঁ কয়, কেৱল শিক্ষাৰ উত্তৰণেই নহয়, এনে সন্মিলন ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত কৰাৰ বাবে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অংশগ্ৰহণকাৰীসকলে পৰ্যটন, বাণিজ্যৰ দিশতো চহৰখনক এক সুকীয়া মাত্ৰা প্ৰদান কৰিব। তেওঁ এনে সন্মিলনৰ ফলত শৈক্ষিক সহযোগিতা, পৰম্পৰাগত আধুনিক শিক্ষাৰ মিলন, শিক্ষকৰ শিক্ষাদান পদ্ধতিৰ সম্পৰ্কে নতুন ধ্যান-ধাৰণাৰ সৃষ্টি, অংশগ্ৰহণকাৰী বিশ্ববিদ্যালয়সমূহৰ পৰা গৱেষণাৰ উদ্ভাৱন সম্পৰ্কত অধিক তথ্য লাভ কৰাত সহায় কৰিছে বুলি মত প্ৰকাশ কৰে। তেওঁ পুনৰ কয়, কানৈ মহাবিদ্যালয়ৰ উন্নতি, অগ্ৰগতি সম্পৰ্কেও সন্মিলনলৈ অহা অংশগ্ৰহণকাৰীসকলে হৃদয়ত লৈ যাব। অনুষ্ঠানত বিয়িং ব্লিছৰ ৰাষ্ট্ৰীয় সভাপতি চন্দন মজুমদাৰ, কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব ড০ জ্যোতি প্ৰসাদ ফুকন, গুৰুকুলৰ অধ্যক্ষ বাসৱী ভট্টাচাৰ্য, সুভিত ইনষ্টিটিউট অব ইঞ্জিনিয়াৰিং এণ্ড টেক্‌নলজিৰ প্ৰাধ্যাপক ড০ সন্দিপ কুমাৰ প্ৰমুখ্যে ভালেসংখ্যক গণ্যমান্য ব্যক্তি আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে মুখ্য দ্বাৰৰ পৰা গায়ন-বায়ন আৰু এন চি চিৰ কেডেটে উষ্ম আদৰণি জনাই অনা অনুষ্ঠানত মেয়ৰ ডাঃ পাত্ৰ আৰু অধ্যক্ষ ড০ শইকীয়াক ফুলাম গামোছা আৰু ফুলৰ থোপাৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। অধ্যক্ষ সহ মেয়ৰ ডাঃ পাত্ৰই প্ৰতিখন অংশগ্ৰহণকাৰী বিশ্ববিদ্যালয়ৰ প্ৰদৰ্শনীলৈ গৈ মত বিনিময় কৰে। উল্লেখ্য যে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বিশ্ববিদ্যালয়ৰ অংশগ্ৰহণকাৰীসকলে এই সন্মিলনৰ সফলতা দাবী কৰে আৰু ২১ এপ্ৰিলৰ বিয়লি সামৰণি পৰে।